# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-07-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

------------------

০০০০০

স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত বিভিন্ন জিলা প্ৰশাসনে উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰতিকূল বতৰৰ মাজতো স্বাধীনতা দিৱস উদযাপনৰ বাবে আৰক্ষী, অৰ্ধ-সামৰিক বাহিনী, গৃহৰক্ষী বাহিনীৰ উপৰি স্কাউট গাইডৰ দলে আজি পেৰেডৰ অনুশীলন চলায়।

স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি বৰপেটা জিলাৰ সকলো চৰকাৰী কাৰ্যালয়ত আজি স্বচ্ছতা অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলা আয়ুক্ত ৰোহন কুমাৰ ঝায়ে কাইলৈ বৰপেটা পৌৰসভাৰ খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। জিলাখনত শান্তিপূৰ্ণভাৱে স্বাধীনতা দিৱস উদযাপন কৰা হেতুকে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। জিলা আৰক্ষীয়ে বিগত কেইবাদিন ধৰি জিলাখনৰ ৰাষ্ট্ৰীয় পথ, ৰে'লপথকে ধৰি স্পৰ্শকাতৰ এলেকাসমূহত নিয়মীয়া তহল আৰু তালাচী অব্যাহত ৰাখিছে।

স্বাধীনতা দিৱসৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলা আৰক্ষী প্ৰশাসনেও নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। জিলাখনৰ অসম-মেঘালয় সীমান্তৰ স্পৰ্শকাতৰ এলেকাসমূহতো আৰক্ষীয়ে চোকা দৃষ্টি ৰাখিছে। জে টি এছ্ খেলপথাৰত স্বাধীনতা দিৱস উদযাপনৰ বাবে জিলা প্ৰশাসনে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

ধুবুৰী জিলা প্ৰশাসনেও এই দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত আৰক্ষী, অৰ্ধ-সামৰিক বাহিনীৰ লগতে স্কাউট গাইডৰ দলে আজি অন্তিমবাৰৰ পেৰেডৰ অনুশীলন চলায়।

স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি দৰং জিলাৰ মঙলদৈত এটা বেচৰকাৰী সংস্থাৰ উদ্যোগত আৰু মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ৰক্ত কোষৰ সহযোগত স্বেচ্ছামূলক ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। ৰক্ত কোষ কেন্দ্ৰৰ বিশেষ বাহনৰ জৰিয়তে মঙলদৈ আৰু ৰামহৰিত এই শিবিৰৰ আয়োজন কৰা হয়। মঙলদৈ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডা০ ৰমেশ চন্দ্ৰ গোস্বামীয়ে এই শিবিৰটো মুকলি কৰে।

০০০০০

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে। এই বছৰ আৰক্ষী, অগ্নি নিৰ্বাপন, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা সেৱাৰ মুঠ এহেজাৰ ৯০ গৰাকী কৰ্মীলৈ এই পদক আগবঢ়োৱা হৈছে। এই পদক লাভ কৰাসকলৰ ভিতৰত অসমৰ ১৭ গৰাকী আৰক্ষী কৰ্মী আছে। আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তলৈ উৎকৃষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক আগবঢ়োৱা হৈছে। আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ, মহকুমা আৰক্ষী বিষয়া হেমন্ত কুমাৰ বড়ো আৰু কনিষ্টবল অখিলৰঞ্জন দাসে সাহসিকতাৰ আৰক্ষী পদক লাভ কৰিছে। একেদৰে আৰক্ষী মহাপৰিদৰ্শক সংযুক্তা পৰাশৰ, আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিং, কামাণ্ডেণ্ট জয়শ্ৰী খেৰচা, আৰক্ষী অধীক্ষক হৃদয়জিৎ বৰ্মন, আৰক্ষী অধীক্ষক

নুমল মাহাট্টা, কামাণ্ডেণ্ট দেৱাশীষ বৰা, কামাণ্ডেণ্ট টাবুৰাম পেগু, উপ-আৰক্ষী অধীক্ষক নিৰ্মল চন্দ্ৰ বিশ্বাস, আৰক্ষী পৰিদৰ্শক ললিত শইকীয়া, উপ-পৰিদৰ্শক অখিল কুমাৰ দাস, পৰিদৰ্শক ধ্ৰুৱ ছৰ্কি, সহকাৰী কামাণ্ডেণ্ট নবীন চন্দ্ৰ শৰ্মা আৰু উপ-পৰিদৰ্শক ৰবীন্দ্ৰ সিন্হাই বিশিষ্ট সেৱাৰ বাবে আৰক্ষী পদক লাভ কৰিছে।

ooooo

এখন সেতুৱে কেৱল চৰকাৰৰ উন্নয়নমুখী পদক্ষেপকে প্ৰতিনিধিত্ব নকৰে বৰং মানুহৰ মাজৰ দুৰত্ব নোহোৱা কৰি ঐক্যবদ্ধ সমাজ নিৰ্মাণতো বিশেষ ভূমিকা গ্ৰহণ কৰে। নলবাৰী জিলা প্ৰতিষ্ঠা দিৱস উপলক্ষে ৫৭৬ কোটি টকা ব্যয়সাপেক্ষ এলানি প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যখনে অৰ্থনৈতিকভাৱে বিকাশৰ গতিৰে উজলি উঠিছে। যোৱা ৫ বছৰত হোৱা উন্নয়নে সমাজৰ সকলো শ্ৰেণীৰ লোকক সামৰি লৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্যৰ প্ৰতিখন জিলাতে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ, একোখন বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় গঢ়ি উঠিছে। পথ আন্তঃগাঁথনিৰ উন্নয়নে গুৱাহাটী-নলবাৰীৰ মাজৰ দূৰত্ব সংকুচিত কৰিব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। ভাষণ প্ৰসঙ্গত মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটী-নলবাৰীৰ মাজত মেট্ৰ' চলোৱাৰ সপোনৰ বিষয়ে ব্যক্ত কৰে। ৰাজ্যৰ উন্নয়নে কল্পনাৰ পৰিধি পাৰ হৈ গৈছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান চৰকাৰে ৰাজ্যৰ সংস্কৃতিৰ সৈতে ধেমালি কৰা কোনো লোকক প্ৰশ্ৰয় নিদিয়ে। তেওঁ কয় যে উন্নয়নৰ লগতে জাতি-মাটিৰ মূল শিপাডালো অপৰিহাৰ্য।

অনুষ্ঠানত অংশগ্ৰহণ কৰি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই নলবাৰীৰ উন্নয়নৰ বাবে বিজেপি চৰকাৰে গ্ৰহণ কৰা বিভিন্ন প্ৰকল্পৰ আভাস দিয়ে। তেওঁ কয় যে সম্ভৱতঃ ৰাজ্যৰ কোনো এটা সমষ্টিত একে দিনাই ইমানখিনি উন্নয়ন আগতে কেতিয়াও হোৱা নাছিল।

ooooo

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি কেবিনেটৰ সিদ্ধান্তমৰ্মে দুৰ্গম অঞ্চলৰ খিলঞ্জীয়া লোকসকলৰ সুৰক্ষাৰ বাবে আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ উদ্দেশ্যে এটা সুকীয়া সেৱা সেতু প'ৰ্টেল মুকলি কৰে। এই উপলক্ষে দিছপুৰৰ লোকসেৱা ভৱনত এখন সংবাদমেলত ডং শৰ্মাই কয়, যে ৰাজ্যৰ স্থায়ী বাসিন্দা তথা খিলঞ্জীয়া লোকসকলেহে আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ লাভ কৰিব। অনুজ্ঞাপত্ৰৰ বাবে আবেদনকাৰীৰ বয়স ২১ বছৰ হ'ব লাগিব। আবেদনকাৰীৰ বিৰুদ্ধে গোচৰ চলি থাকিলেও অনুজ্ঞাপত্ৰ দিয়া নহ'ব। মানসিক আৰু শাৰীৰিকভাৱে সুস্থ লোককহে এই অনুজ্ঞাপত্ৰ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ উপৰি বৈধ অস্ত্ৰ চালনাৰ প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ থকা লোকসকলেহে সেৱা সেতু প'ৰ্টেলযোগে অনুজ্ঞাপত্ৰৰ বাবে আবেদন কৰিব পাৰিব। আগ্নেয়াস্ত্ৰৰ প্ৰশিক্ষণ নোলোৱা ব্যক্তিক অনুজ্ঞাপত্ৰ প্ৰদানৰ পাছত প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়। তেওঁ কয়, যে ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰাক্তন সেনা বিষয়া, প্ৰাক্তন আৰক্ষী বিষয়াৰ দ্বাৰা অস্ত্ৰ চালনাৰ প্ৰশিক্ষণ দিয়া হ'ব। আবেদনৰ পাছত জিলা আয়ুক্তৰ কাৰ্যালয়ে তেওঁলোকক অনুজ্ঞাপত্ৰ প্ৰদান কৰিব। নিজক বিপদাপন্ন হ'লেও নিজৰ সংস্কৃতি ৰক্ষা কৰা সাহসী ভাৰতীয়সকলৰ বাবে এই আঁচনিখন মুকলি কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে। তেওঁ কয়, যে এই আঁচনিয়ে অসমৰ মাটি-ভেটি আৰু সংস্কৃতি ৰক্ষা কৰাত খিলঞ্জীয়াক সহায় কৰিব বুলি তেওঁ কয়।

ooooo

সমাপ্ত